**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

ৰাজ্যৰ দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদানৰ শুভাৰম্ভণি তথা পূৰবী ডেইৰীৰ সম্প্ৰসাৰণৰ ভূমিপূজন আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ পূৰবী ডেইৰীৰ চৌহদ আৰু শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল আৰু সমবায় মন্ত্ৰী যোগেন মহন উপস্থিত থাকিব। উল্লেখযোগ্য যে দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদানৰ এই আঁচনিৰ প্ৰথম পৰ্যায়ত ৫৪২ খন দুগ্ধ সমবায় সমিতি আৰু ১৯ হাজাৰ ৩০ গৰাকী দুগ্ধ উৎপাদক উপকৃত হ'ব।

oooo

ৰাজ্যৰ খৰাংসদৃশ পৰিস্থিতিৰ ফলত ২৫ খন জিলাত যোৱা ১ জুনৰ পৰা কালিলৈকে বৰষুণ হোৱাৰ পৰিমাণ ৪৩ শতাংশ হ্ৰাস পোৱা বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। এনে পৰিস্থিতিত জলসিঞ্চনৰ সা-সুবিধা নথকা ৰাজ্যৰ কৃষকসকল বিমোৰত পৰা পৰিলক্ষিত হৈছে। অৱশ্যে শেহতীয়াকৈ মন্ত্ৰীসভাৰ বৈঠকৰ পাছত খৰাং পীড়িত কৃষকক চৰকাৰে ক্ষতিপূৰণ দিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাই কৃষকসকলৰ কিছু পৰিমাণে সকাহ দিছে। ইপিনে ৰাজ্যত অনাবৃষ্টিৰ ফলত সৃষ্টি হোৱা খৰাং সদৃশ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই কালি জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। ইতিমধ্যে ওদালগুৰি, কামৰূপ, দৰং, গোলাঘাট, মাজুলীকে ধৰি বিভিন্ন জিলাৰ কৃষি বিষয়াসকলে কৃষিভূমিসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ মূল্যায়ন কৰিছে। কৃষি বিষয়াসকলে এই পৰিদৰ্শনকালত কৃষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকক সহায়ৰ আশ্বাস দিয়ে।

oooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনত অসম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম, ওড়িশা, চত্তিশগড় আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদাদেশৰ এলেকাসমূহৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে কেৰালা আৰু কৰ্ণাটকৰ উপকূলভাগত প্ৰবল বৃষ্টিপাতৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। পৰৱৰ্তী পাঁচ দিনত কোংকন, গোৱা আৰু মহাৰাষ্ট্ৰৰ মধ্যভাগতো ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

oooo

জাগীৰোড আৰু গুজৰাটৰ চেমিকনডাক্টৰ প্ৰকল্পত ছীপছ উৎপাদন কৰাৰ বাবে টাটা ইলেকট্ৰনিক্সে জাৰ্মান ইঞ্জিনিয়াৰিং কোম্পানী ৰবাৰ্ট বছ জি এম বি এইচ চমুকৈ বছ কোম্পানীৰ সৈতে চুক্তিবদ্ধ হৈছে। এই সহযোগিতা চুক্তিৰ আধাৰত টাটা ইলেকট্ৰনিক্সৰ সৈতে লগ লাগি কোম্পানীটোৱে অসম আৰু গুজৰাটত স্থাপন হ'বলগীয়া ছেমিকনডাক্টৰ উদ্যোগত পেকেজিং আৰু উৎপাদনৰ উপৰি যন্ত্ৰাংশৰ একত্ৰিকৰণ আৰু পৰীক্ষণ উদ্যোগ স্থাপন

কৰিব। টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া তথা পৰিচালন সঞ্চালক ৰণধীৰ ঠাকুৰ আৰু বহু কোম্পানীৰ কাৰ্যবাহী উপাধ্যক্ষ দিৰ্ক ক্ৰেছে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে জাগীৰোডত টাটাৰ উদ্যোগত ছেমিকনডাক্টৰ উদ্যোগ স্থাপনৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে। এয়া হ'ব দেশৰ প্ৰথমটো ঘৰুৱাভাৱে উৎপাদিত গ্ৰীনফিল্ড ছেমিকনডাক্টৰ যন্ত্ৰাংশৰ একত্ৰিকৰণ আৰু পৰীক্ষণ উদ্যোগ।

oooo

বিশিষ্ট লেখক, সংস্কৃত ভাষা পণ্ডিত আৰু শিক্ষাবিদ কৃষ্ণকান্ত সন্দিকৈৰ জন্ম বাৰ্ষিকীত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। সংস্কৃত আৰু ভাষাতত্বৰ ক্ষেত্ৰত বিৰল পাণ্ডিত্যৰ পৰিচয় দিয়া কৃষ্ণকান্ত সন্দিকৈ শ্ৰীহৰ্ষৰ নৈষধ চৰিত, সোমদেৱৰ যশছ্ তিলক আদি গ্ৰন্থৰ অনুবাদৰ জৰিয়তে ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী দাঙি ধৰিছিল। ৯ বছৰ ধৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ দায়িত্ব পালন কৰা সন্দিকৈয়ে মাত্ৰ ৩৯ বছৰ বয়সতে ১৯৩৭ চনৰ অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। অসমৰ অন্যতম সৰ্বশ্ৰেষ্ঠ পণ্ডিতগৰাকীয়ে ৰাজ্যখনৰ শৈক্ষিক আৰু বৌদ্ধিক সমাজৰ সমৃদ্ধিত বহু অৱদান আগবঢ়াই থৈ গৈছে।

oooo

চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰিব।

সংসদৰ বৰ্ষাকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে সংসদত উত্থাপন কৰিবলগীয়া যিকোনো গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু। তেওঁ কয়, যে অধিৱেশনৰ সময়ছোৱাত জনবিশ্বাস সংশোধনী ব্যৱস্থা বিধেয়ক ২০২৫, ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক ২০২৫, ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৫ কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

অধিৱেশনৰ পূৰ্বে ৰণনীতি চূড়ান্ত কৰাৰ উদ্দেশ্যে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ দৰে বিষয়সমূহ উত্থাপন কৰাৰ বাবে দলসমূহৰ মাজত সহমত গঢ়ি উঠে।

oooo

গোৱালপাৰাৰ পাইকানত চলোৱা উচ্ছেদৰ সময়ত আৰক্ষী আৰু বনকৰ্মীক আক্ৰমণ কৰা আৰু বিদ্যালয়ত অগ্নি সংযোগ কৰা ঘটনাৰ সংক্ৰান্তত বৰ্তমানলৈকে ২৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীযে শুকুৰবাৰে নিশাৰে পৰা অভিযান চলাই এই ঘটনাত জড়িত থকাৰ অভিযোগত পুনৰ ১১ জন লোকক গ্ৰেপ্তাৰ কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে কৃষ্ণাই আৰক্ষীয়ে ৯ জনক আৰু লখিমপুৰ আৰু ফকিৰগঞ্জ আৰক্ষীয়ে একোজনকৈ লোকক গ্ৰেপ্তাৰ কৰিছে।

oooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................